# Telephone Conversation between PM and King of the Kingdom of Bahrain

April 06, 2020

## প্ৰধানমন্ত্ৰী আৰু বাহৰেইনৰ ৰজাৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 06, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বাহৰেইনৰ ৰজা মহামহিম হামিদ বিন অল খালিফাৰে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই কভিড-19 ৰ ফলত উদ্ভৱ হোৱা স্বাস্থ্য সংকট, লজিষ্টিক শৃংখলা আৰু বিত্তীয় বজাৰৰ বিষয়ে আলোচনা কৰে।

সংকটৰ এই সময়ছোৱাত বাহৰেইন থকা ভাৰতীয় সম্প্ৰদায়ক বিশেষ গুৰুত্ব প্ৰদান কৰিব বুলি ৰজাই প্ৰধানমন্ত্ৰীক আশ্বস্ত কৰে। বাহৰেইনত বসবাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ প্ৰতি বাহৰেইনৰ কৰ্তৃপক্ষই আগবঢ়োৱা প্ৰসাৰিত যত্ন আৰু স্নেহৰ কাৰণে প্ৰধানমন্ত্ৰীয়ে আন্তৰিক প্ৰসংশা ব্যক্ত কৰে।

কভিড-19ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত দুয়োখন দেশৰ বিষয়ববীয়াসকলে নিয়মীয়াকৈ যোগাযোগ স্থাপন কৰি যাব আৰু সাম্ভাব্য সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

প্ৰধানমন্ত্ৰীয়ে ৰজাক জনাই যে ভাৰতে বাহৰেইনক নিজৰ প্ৰসাৰিত চুবুৰীয়াৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে গণ্য কৰে। বিগত বছৰৰ বাহৰেইন ভ্ৰমণৰ কথাও তেখেতে স্মৰণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 06, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.